প্ৰশ্ন- সম্বন্ধবাচক বিশেষ্যৰ ৰূপগত বৈশিষ্ট্য কি ইহঁতৰ পুৰুষ আৰু কাৰকৰ দুতৰপীয়া ৰূপৰ আলোচনা কৰা -

উত্তৰ - দেউতা, মা, আইতা, মামা, মামী, সখী, আদি যিবোৰ সম্বন্ধ পদে বংশগতভাৱে বৈবাহিক বা আনুষ্ঠানিক ভাৱে গঢ়লোৱা সম্বন্ধ বুজায় সেই পদসমূহকে সম্বন্ধবাচক বিশেষ্য পদ বোলে । সম্বন্ধবুজোৱা পদবোৰক কেৱল অৰ্থলৈ লক্ষ্য ৰাখি সাধাৰণ সংজ্ঞাবাচক বিশেষ্যৰ ভিতৰতো ধৰিব পাৰি । তথাপি এই সম্বন্ধবাচক পদবোৰক বেলেগে শ্ৰেণীভুক্ত কৰাৰ এটা প্ৰধান কাৰণ হল, সম্বন্ধবাচক পদবোৰৰ এটা বিশেষ বৈশিষ্ট্য হল উত্তম, মধ্যম আৰু নামপুৰুষ অনুযায়ী পুৰুষবাচক বিভক্তিবোৰ কাৰকৰ বিভক্তি গ্ৰহণ কৰাৰ উপৰিও ইহঁতে আন এবিধ বিভক্তিও গ্ৰহণ কৰে । অসমীয়া ভাষাত সকলো নামপদতে কাৰকৰ বিভক্তি অপৰিহাৰ্য অৰ্থ্যাৎ কাৰকৰ বিভক্তি নলগোৱাকৈ কোনো নামপদ বাক্যত ব্যৱহৃত হব নোৱাৰে । কিন্তু সম্বন্ধ বুজোৱা, যেনে- *মা, দেউতা, পেহা ইত্যাদি শব্দত সদায় দুতৰপীয়া বিভক্তিৰ সংযোগ ঘটে* । সেই দুবিধ বিভক্তিৰ এবিধ *সম্বন্ধবাচক পুৰুষৰ বিভক্তি* আৰু আনবিধ *কাৰকৰ বিভক্তি* । এই দুবিধ বিভক্তিৰ সংযুতি নোহোৱাকৈ উল্লিখিত সম্বন্ধ বুজোৱা শব্দবোৰ পদৰূপে বাক্যত ব্যৱহৃত হব নোৱাৰে । এই ৰূপগত প্ৰধান ভেদটো সম্বন্ধবাচক বিশেষ্যৰ এটা উল্লেখনীয় বৈশিষ্ট্য ।

ড. গোলোক চন্দ্ৰ গোস্বামীদেৱে *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* নামৰ গ্ৰন্থত পুৰুষবাচক বিভক্তিৰ ফলাখন এনেধৰণে দেখুৱাইছে -

| | | বিভক্তি | |
|---|---|---|---|
| পুৰুষ | | স্বৰান্ত শব্দৰ পাছত | আ-ভিন্ন স্বৰান্ত শব্দৰ পাছত |
| উত্তম পুৰুষ | | ০ | ০ |
| মধ্যম পুৰুষ | | | |
| | তুচ্ছ | -ৰ | -এৰ |
| | মান্য | -ৰা | -এৰা |
| নাম পুৰুষ | | -ক | -এক |

(ক)পুৰুষবাচক বিভক্তিবোৰ পোনে পোনে প্ৰাতিপাদিকৰ পাছত যোগ হব পাৰে । যেনে- *মা-ক, দেওৰ-এক, শহুৰ-এক* ইত্যাদি ।

(খ) কেতিয়াবা প্ৰাতিপাদিকৰ লগত প্ৰত্যয় যোগ হৈ নিষ্পন্ন হোৱা শব্দত যোগ হয় । যেনে - *আই-তা-ৰা*

(গ) কেতিয়াবা সন্মানসূচক দেউৰূপটো যোগ কৰি তাৰ পাছত বিভক্তি যোগ দিয়া হয় । যেনে- *পিতা-দেউ-এক* ।

(ঘ) পুৰুষবাচক বিভক্তি যোগ হোৱাৰ পাছত কাৰকৰ বিভক্তি যোগ হয় । যেনে - *তোমাৰ মা-ৰা-লৈ*

(ঙ) এই বিভক্তিবোৰে বিশেষ্য শব্দৰ পুৰুষ বুজোৱাৰ উপৰিও সদায় একবচনৰ অৰ্থ প্ৰকাশ কৰে । যেনে- *তাক দেউতাকে মাতিছে* । ইয়াত দেউতাকে পদটো একবচনাত্মক । অৱশ্যে একবচন বুজালেও নিৰ্দিষ্টতাসূচক - *জন*(দেউতাকজন), *-জনা*(পেহীয়েক জনী), আদি একবচনৰ ৰূপ লগ লাগিব পাৰে ।

(চ) একবচনৰ নিৰ্দিষ্টতাসূচকৰূপবোৰ যোগ হোৱাৰ দৰে বহুবচনৰ প্ৰত্যয়ো লগ লাগিব পাৰে । যেনে- *আইতাকহঁতৰ* ।

সম্বন্ধবাচক ৰূপবোৰ হওঁতে যোগ বিভিন্ন ৰূপবোৰক ৰেখাচিত্ৰৰ দ্বাৰা এনেধৰণে দেখুৱাব পাৰি -

| সম্বন্ধবাচক শব্দ | দেউ | পুৰুষৰ ভিভক্তি | একবচন নিৰ্দেশক<br>বহুবচন নিৰ্দেশক | কাৰকৰ বিভক্তি |
|---|---|---|---|---|

ৰেখাচিত্ৰ অনুসৰি সম্বন্ধবাচক শব্দৰ ৰূপ হব -

| | |
|---|---|
| পিতা-ক-লৈ | পিতাকলৈ |
| পিতা-ক-জন-লৈ | পিতাকজনলৈ |
| পিতা-ক-হঁত-লৈ | পিতাকহঁতলৈ |
| পিতা-দেউ-ক-লৈ | পিতাদেৱেকলৈ |
| পিতা-দেউ-ক-জন-লৈ | পিতাদেৱেকজনলৈ |
| পিতা-দেউ-ক-হঁত-লৈ | পিতাদেৱেকহঁতলৈ |

সম্বন্ধবাচক বিশেষ্যৰ পুৰুষ আৰু কাৰক অনুযায়ী ৰূপ হব -

প্ৰথম পুৰুষ

| | পুৰুষৰ বিভক্তি | কাৰকৰ বিভক্তি | |
|---|---|---|---|
| কৰ্তা কাৰক | ø | -ই | দেউতাই |
| কৰ্ম কাৰক | ø | -ক | দেউতাক |
| কৰণ কাৰক | ø | -ৰে | দেউতাৰে |
| নিমিত্ত কাৰক | ø | -লৈ | দেউতালৈ |
| অপাদান কাৰক | ø | -পৰা | দেউতাৰ পৰা |
| সম্বন্ধ কাৰক | ø | -ৰ | দেউতাৰ |
| অধিকৰণ কাৰক | ø | -ত | দেউতাত |

দ্বিতীয় পুৰুষ( মান্য )

| | পুৰুষৰ বিভক্তি | কাৰকৰ বিভক্তি | |
|---|---|---|---|
| কৰ্তা কাৰক | -ৰা | -ই | দেউতাৰা |
| কৰ্ম কাৰক | -ৰা | -ক | দেউতাৰাক |
| কৰণ কাৰক | -ৰা | -ৰে | দেউতাৰাৰে |
| নিমিত্ত কাৰক | -ৰা | -লৈ | দেউতাৰালৈ |
| অপাদান কাৰক | -ৰা | -পৰা | দেউতাৰাৰ পৰা |
| সম্বন্ধ কাৰক | -ৰা | -ৰ | দেউতাৰাৰ |
| অধিকৰণ কাৰক | -ৰা | -ত | দেউতাৰাত |

দ্বিতীয় পুৰুষ( তুচ্ছ )

| | | | |
|---|---|---|---|
| কৰ্তা কাৰক | -ৰ | -ই | দেউতাৰ |
| কৰ্ম কাৰক | -ৰ | -ক | দেউতাৰক |
| কৰণ কাৰক | -ৰ | -ৰে | দেউতাৰৰে |

| | | | |
|---|---|---|---|
| নিমিত্ত কাৰক | -ৰ | -লৈ | দেউতাৰলৈ |
| অপাদান কাৰক | -ৰ | -পৰা | দেউতাৰৰ পৰা |
| সম্বন্ধ কাৰক | -ৰ | -ৰ | দেউতাৰৰ |
| অধিকৰণ কাৰক | -ৰ | -ত | দেউতাৰত |
| | তৃতীয় পুৰুষ | | |
| কৰ্তা কাৰক | -ক | -ই | দেউতাক |
| কৰ্ম কাৰক | -ক | -ক | দেউতাকক |
| কৰণ কাৰক | -ক | -ৰে | দেউতাকৰে |
| নিমিত্ত কাৰক | -ক | -লৈ | দেউতাকলৈ |
| অপাদান কাৰক | -ক | -পৰা | দেউতাকৰ পৰা |
| সম্বন্ধ কাৰক | -ক | -ৰ | দেউতাকৰ |
| অধিকৰণ কাৰক | -ক | -ত | দেউতাকত |

উল্লিখিত ধৰণে পুৰুষৰ বিভক্তি আৰু কাৰকৰ বিভক্তি সংযোগৰ দ্বাৰা সকলো সম্বন্ধবাচক শব্দৰ ৰূপ সাধন কৰা হয় ।